বিখ্যাত মুক্তিযুঁজাৰু, সমাজ সংস্কাৰক শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী সত্ৰাধিকাৰ প্ৰভুৱে গড়মূৰ সত্ৰত এখন এম ই স্কুল পাতি 'তুমি ঘৰৰ ল'ৰা ঘৰলৈ গুচি আহা' বুলি কৰা আহ্বানৰ প্ৰতি সঁহাৰি জনাই তৰুণ চন্দ্ৰ পামেগাম জেংৰাইমুখৰপৰা আহি গড়মূৰ ডাকঘৰৰ পোষ্ট মাষ্টৰৰ কাম কৰে আৰু পাছলৈ ১৯৫২ চনত গোস্বামী প্ৰভুৰ দিহামতে নতুনকৈ প্ৰতিষ্ঠা কৰা এম ই স্কুলৰ প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। তাত শিক্ষকতা কৰিয়েই মাজুলী মহাবিদ্যালয়ত উচ্চ শিক্ষাৰ বাবে নামভৰ্তি কৰি ১৯৬৫ চনত স্নাতক ডিগ্ৰি লয়। তাতে 'সমান্তৰাল' নামৰ একাংকিকা নাটক ৰচনা কৰি প্ৰতিযোগিতাত শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান লাভ কৰে। আনহাতে যোৰহাট স্নাতকোত্তৰ মহাবিদ্যালয়ত শিক্ষকতাৰ প্ৰশিক্ষণ লোৱা কালছোৱাত কলেজখনৰ মুখপত্ৰ Education সম্পাদনা কৰাৰ লগতে 'শিক্ষক' নামৰ কথাচিত্ৰ এটিও তাত প্ৰকাশ পায়। 'ফৰমুলা' নাটকৰ ৰচনা সেই সময়তে কৰে।

গড়মূৰলৈ আহি তাৰ সত্ৰীয়া সমাজৰ সাংস্কৃতিক পৰিৱেশত বিশেষকৈ পীতাম্বৰ দেৱগোস্বামী প্ৰভুৰ দৰে সুসংস্কৃতিসম্পন্ন ধৰ্মপ্ৰাণ ব্যক্তিৰ সান্নিধ্যত তৰুণ চন্দ্ৰ পামেগামৰ শিল্পী জীৱনে এটা নতুন গতি লয়। গড়মূৰ বংশীগোপাল নাট্য মন্দিৰে এই ক্ষেত্ৰত বিশেষ অৰিহণা যোগায়। প্ৰয়োজনৰ তাগিদাত তেখেতে বহুকেইখন নাটক ৰচনা আৰু পৰিচালনা কৰাৰ লগতে নিজেও অভিনয় কৰিছিল। সেই সময়তে পপীয়া তৰা, নুৰজাহান, চান্দ সদাগৰ, বনবীৰ আদি নাটক লিখি মঞ্চস্থ কৰিছিল। পপীয়া তৰা নাটকখনে শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীক বৰকৈ সন্তোষিত কৰিছিল বুলি জনা যায়। পামেগামৰ সেই নাটককেইখন গড়মূৰৰ বাহিৰেও অসমৰ বহু ঠাইত অভিনীত হৈছিল। কিন্তু সেইবোৰ নাটক বৰ্তমান পাবলৈ নাই।

নামে-কামে তৰুণ মনৰ অধিকাৰী পামেগামৰ অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি হ'ল মিচিং লোকসাহিত্যৰ গৱেষণাসমূহ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতিৰ গৱেষণা বিভাগে হাতত লোৱা আঁচনিমতে ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ তত্ত্বাৱধানত মিচিং লোকগীত আৰু লোকসাধু সংগ্ৰহ আৰু সংৰক্ষণৰ কামত ১৯৫৩-৫৬ চনৰ কালছোৱাত অক্লান্ত পৰিশ্ৰমেৰে তেখেতে অসমৰ প্ৰায়বিলাক মিচিং গাঁও ঘূৰিছিল। অসম সাহিত্য সভাই কিছু সাধু ১৯৭৭ চনত 'মিচিং সাধু' নামেৰে প্ৰকাশ কৰে। আনহাতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগে ১৯৯২ চনত ড° বীৰেন্দ্ৰনাথ দত্তৰ সম্পাদনাৰে লোকগীতসমূহৰ এটা নিৰ্বাচিত অংশ সন্নিৱিষ্ট কৰি 'Folk songs of the Misings' শীৰ্ষক গ্ৰন্থ প্ৰকাশ কৰে। সেই গৱেষণা কালৰ সময়তে সমান্তৰাল, খদমদম আৰু ফৰমুলা নাটকৰ লগতে তেখেতৰ মিচিং লোকসংস্কৃতি সম্পৰ্কীয় বহুতো কথিকাও গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত হয়। ১৯৭৫ চনৰ আশে-পাশে পামেগামে লিখা কবিতা আৰু গল্পসমূহ সংগ্ৰহ কৰি কবিতা লেছেৰি, গল্প লেছেৰি আৰু কবিতাৰ লেছেৰি বোটলা পুথি প্ৰকাশ পায়।

অসমীয়া সাহিত্য চৰ্চাৰ লগে লগে তৰুণ চন্দ্ৰ পামেগামে মিচিং গীত-কবিতাও অনেক ৰচনা কৰিছিল আৰু সেইবোৰ সুৰ দি নিজেও গাইছিল। ১৯৫০ চনতেই 'কাঃয়ুমনী অইয়া, চঃয়ুমবিতই' (ধুনীয়াকৈ চেনেহীজনী, সুন্দৰকৈ নাচি দিয়া) এই স্বৰচিত গীতটোৰে শ্বিলং অনাতাঁৰ কেন্দ্ৰৰপৰা পোন প্ৰথমে মিচিং আধুনিক গীত প্ৰচাৰ কৰে। 'দাগৰপত দাগৰপত মিচিং ৰাঁঙামা' (জাগা জাগা অ' মিচিং সমাজ) এই গীতটো এসময়ত মিচিং গাঁওবিলাকত বৰ জনপ্ৰিয় আছিল। ভৃগুমণি কাগয়ুঙে সেই আধুনিক গীতসমূহ সংগ্ৰহ কৰি অসমীয়া ভাবাৰ্থসহ 'তৰুণ চন্দ্ৰ পাঃমেগাঃমকী আনুনিঃতম' নামেৰে পুথি প্ৰকাশ কৰিছে। মিচিং আগম কৌবাঙৰ (মিচিং সাহিত্য সভা) পতাকা উত্তোলনৰ গীতটো পামেগামেই ৰচনা কৰি দিয়ে। সেই সময়ত মিচিং ভাষা চৰ্চাৰ বিশেষ পৰিৱেশ নথকা আৰু ইয়াক প্ৰকাশ কৰিব পৰাকৈ বিজ্ঞানসন্মত লিপিৰ অভাৱতে তেওঁ মিচিঙত আন বিষয়ৰ চৰ্চা কৰা পোৱা নাযায়।

তৰুণ চন্দ্ৰ পামেগামৰ জীৱনৰ শেষছোৱা কাল অতি কাৰুণ্যৰ। ১৯৮৯ চনৰপৰাই দুৰাৰোগ্য পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ হাত-ভৰি একেবাৰে জঠৰ হৈ পৰাত শিক্ষক চাকৰিৰ কাৰ্যকাল শেষ হ'বলৈ প্ৰায় চাৰি বছৰকাল থাকোঁতেই তেখেতে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিবলগীয়া হয়। এফালে সংসাৰ চলোৱা আৰু আনফালে জীৱন-মৰণৰ টাগ-অব-ৱাৰ! পাছলৈ হাতেৰে চহীটোও কৰিব নোৱাৰা অৱস্থা। তথাপি পামেগামৰ সৃষ্টিশীল মনে হাৰ মনা নাছিল। এই কালছোৱাতে চোৰ, সেতু, পৰাচিত, ফেঁহুজালি, সংকল্প আদি অনাতাঁৰ নাটক আৰু 'প্ৰকাশ' আলোচনীত ওলোৱা মূল্যৱান প্ৰবন্ধৰাজি সৃষ্টি হয়। কৃত্ৰিম চকীত বহি আৰু বিছনাত পৰি থকাৰপৰাই নিজৰ ল'ৰা-ছোৱালীহঁতক শ্ৰুতলিপি দি সেইবোৰৰ লেখা কাম কৰিছিল। তেওঁৰ অসবৰ্ণ বিবাহ আৰু জাতি-জনজাতিৰ সমন্বয়ৰ সামাজিক পটভূমিত তেতিয়াই ৰচিত 'সেতু' নাটকখনে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ প্ৰযোজনাত ১৯৮২ চনৰ সৰ্বভাৰতীয় অনাতাঁৰ নাট প্ৰতিযোগিতাত দ্বিতীয় সৰ্বশ্ৰেষ্ঠ নাটৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়।

তৰুণ চন্দ্ৰ পামেগামেই অসম চৰকাৰৰ মিচিং সমাজৰপৰা প্ৰথম সাহিত্যিক পেন্সন প্ৰাপক। তেখেতে ১৯৭৪ চনত অসম সাহিত্য সভাৰ উপ-সভাপতি, ১৯৬৬ চনত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থকা মিচিং বাঃনী কৌবাঙৰ সভাপতি, 'প্ৰকাশ' আলোচনীৰ ১৯৭৭-৭৮ চনৰ সম্পাদনা সমিতিৰ সদস্য আৰু মাধ্যমিক শিক্ষা পৰিষদৰ সদস্য পদেৰেও অলংকৃত হৈছিল। অসম সাহিত্য সভাই পামেগামৰ ৰচনাৱলী ভৃগুমণি কাগয়ুঙৰ সম্পাদনাত ১৯৭৯ চনত প্ৰথম খণ্ড আৰু ২০০৫ চনত দ্বিতীয় খণ্ড প্ৰকাশ কৰে।

১৯৮৩ চনৰ ৩০ আগষ্টৰ দিনা ৫৯ বছৰ বয়সত কৰ্মময় জীৱন সামৰা তৰুণ চন্দ্ৰ পামেগামৰ মৃত্যুবাৰ্ষিকীত প্ৰবীণ সাহিত্যিক ডিম্বেশ্বৰ দয়াল শৰ্মাৰ ভাষাৰে মোখনি মাৰিব খুজিছোঁ—'জেউতি'তে লিখিবলৈ আৰম্ভ কৰি পাছত অসমীয়া ভাষা সাহিত্যৰ অবিস্মৰণীয় আসন যিসকলে অধিকাৰ কৰিলেগৈ, সেইসকলৰ ভিতৰতে এটি বৰেণ্য নাম স্বৰ্গীয় তৰুণ চন্দ্ৰ পামেগাম। পামেগামৰ দৰে উদাৰ হৃদয়, সংহতিৰ প্ৰবক্তা, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি তথা মিচিং ভাষা-সাহিত্য-সংস্কৃতিৰ অক্লান্ত নিৰৱ পূজাৰীৰ পুণ্য স্মৃতিয়ে উঠি অহা চামক প্ৰেৰণা যোগাব।

ঠিকনা ঃ কাংকান গাঁও, নাৰায়ণপুৰ, ডাক ঃ পাণবাৰী-৭৮৪১৬৪, লখিমপুৰ, ফোন ঃ ৯৮৫৪৭০৪৫৮৪, ৯৪০১৮৮৪০৭২

